আৰু অৱস্থান অনুসৰি সংশ্লিষ্ট বা বিশিষ্ট ৰূপত দেখা দি ক্ৰমে এক বা দুই মাত্ৰা গ্ৰহণ কৰিব পাৰে। (৪) ভাবৰ বিৰতি ভাব যতিক ছেদ বোলা হয় আৰু বৈয়াকৰণিক শব্দ আৰু বাক্যই তাৰ নিয়ামক।

**মাত্ৰাবৃত্ত** ঃ যি ছন্দ ৰীতিত অৱস্থান নিৰ্বিশেষে যুগ্ম ধ্বনিৰ বিশিষ্ট উচ্চাৰণ নকৰিলে ছন্দ পতন হয় সেই ছন্দ ৰীতিয়েই হৈছে মাত্ৰাবৃত্ত। ইয়াত প্ৰত্যেক অযুগ্ম ধ্বনি একমাত্ৰাৰ আৰু প্ৰত্যেক যুগ্ম ধ্বনি দুই মাত্ৰাৰ। প্ৰাচীন যুগৰ কবিতাত ঘাইকৈ ব্ৰজাৱলী গীত-মাত, ভটিমাসমূহতহে ইয়াৰ ব্যৱহাৰ দেখা গৈছিল আৰু তাত সংস্কৃত ছন্দৰীতিৰো প্ৰয়োগ কিছু পৰিমাণে পৰিলক্ষিত হয়, যদিও স্বৰৰ হ্ৰস্ব-দীৰ্ঘভেদ তাত অনিৰ্দিষ্ট আৰু অস্পষ্ট। বৈষ্ণৱ যুগৰ মাত্ৰাবৃত্তত যতিৰ অৱস্থান সুদৃঢ়, অনুযতিৰ (পৰ্বৰ মাজৰ যতিৰ) ধ্বনি স্পন্দনো স্পষ্ট আৰু তীব্ৰ। গতিকে ইয়াৰ লয়সমূহ সুব্যক্ত আৰু দ্ৰুত। সেইবাবে এই ছন্দত এটা গম্ভীৰ নৃত্যভংগি অনুভূত হয়। বৰ্তমান যুগত এই ছন্দৰীতি দৰাচলতে নৱন্যাস যুগত প্ৰাচীন দুলড়ী ছন্দ সজ্জাৰ ভিত্তিকে আশ্ৰয় কৰি নিৰ্মিত।

মাত্ৰাবৃত্তৰ পৰ্ববিন্যাসৰ ন্যূনতম মাত্ৰাসংখ্যা হ'ল চাৰি; তাৰ আধা দুই ৰূপতো কেতিয়াবা পোৱা যায়। কিন্তু সম্পূৰ্ণ চতুৰ্মাত্ৰিক পৰ্বৰে গঠিত হোৱা পংক্তি দেখা নাযায়; প্ৰত্যেক পংক্তিৰ শেষ পৰ্বটো ছয় মাত্ৰাৰ (৪+২) হ'লেহে ছন্দৰ হিল্লোল সম্পূৰ্ণ হয়। উদাহৰণ ঃ

মন্দাৰ সৌৰভ স্বৰ্গৰ গৌৰৱ
ধূলিভৰা ধৰণীত মাধুৰীৰ বান।

|| || || || || || || ||
মন্ দাৰ্ সউ্ ৰভ্ স্বৰ্ গৰ্ গউ্ ৰৱ্

| | | | | | | | || || ||
ধূলিভৰা ধৰণীত মাধুৰীৰ বান

অৰ্থাৎ প্ৰতি পৰ্বত চাৰি মাত্ৰা আৰু শেষৰ পৰ্বত ৪+২=৬ মাত্ৰা। মাত্ৰাবৃত্তৰ ৰীতিৰ ছন্দত পাঁচ আৰু ছয় মাত্ৰাৰ পৰ্ব সততে দেখা যায়। কিন্তু ইয়াত ছয় মাত্ৰাৰ পৰ্ব বিভাগৰেই আধিক্য। পাঁচ মাত্ৰাৰ পৰ্ব সাধাৰণতে যণ্মাত্ৰিক (৬ মাত্ৰাৰ) পৰ্বসজ্জাৰ গঠিত ছন্দৰ শেষ পৰ্বতহে দেখা যায়।

| || || | || | || |
প্ৰকাশ্ পাইছে। চন্দ্ৰ সূৰ্য।

| || || | | || ||
প্ৰকাশ্ পাইছে। বনৰ্ ফুল্

ইয়াৰ শেষৰ পৰ্বত পাঁচ মাত্ৰা আৰু বাকীবিলাকত ছয় মাত্ৰা। মাত্ৰাবৃত্তৰ ছয় মাত্ৰাৰ পৰ্ব বিন্যাসৰ কাৰণ বিচাৰিলে দুলড়ী আৰু লেচাৰি আৰু পদ আৰু ছবি ছন্দসজ্জাৰ অতীতৰ যুগত অস্পষ্ট এটা পাৰ্থক্যৰ কথা লক্ষ্য কৰিব লাগিব। দুলড়ী আৰু লেচাৰিত ছয় মাত্ৰাৰ আৰু তাৰে অনুবিভাগ ৩+৩ মাত্ৰাৰ প্ৰৱণতা, আৰু পদ আৰু ছবিত চাৰি মাত্ৰাৰ আৰু তাৰ অনুবিভাগত ২+২ মাত্ৰাৰ প্ৰৱণতা পৰিলক্ষিত হয়। দুলড়ী আৰু লেচাৰি গীতধৰ্মী আৰু পদ আৰু ছবি পাঠধৰ্মী ছন্দসজ্জা।

মাত্ৰাবৃত্তত সাত মাত্ৰাৰ পৰ্ব বিভাগ সম্ভৱ হ'লেও বিৰল। আঠ মাত্ৰাৰ পৰ্বত প্ৰকৃততে যুক্তপৰ্ব, সহজেই দুটা চাৰিমাত্ৰাৰ পৰ্বলৈ বিভক্ত হৈ যায়। ন আৰু দহ মাত্ৰাৰ সম্ভাৱনা থাকিলেও সেইবোৰ ক্ৰমে ছয় আৰু তিনি আৰু ছয় আৰু চাৰি মাত্ৰাৰ যুক্ত ৰূপতহে পোৱা যাব।

**যৌগিক ৰীতি ঃ** যৌগিক ৰীতিয়েই অসমীয়া ছন্দৰ ঘাই ধৰণী। গীতৰ পৰা পাঠলৈ কবিতাৰ যাত্ৰা পথৰ প্ৰধান বাহন হ'ল যৌগিক ছন্দৰীতি। আমাৰ প্ৰাচীন গীত-মাতৰ ছান্দসিক ভিত্তি হ'ল মাত্ৰাবৃত্ত আৰু ভাগৱত কাহিনী আদিত ব্যৱহৃত পদ (পয়াৰ), দুলড়ী, ছবি আদি ছন্দসজ্জা যৌগিক ৰীতি নিৰ্ভৰ। দৰাচলতে যদিও দুলড়ী আৰু লেচাৰিৰ মূল একক তিনি মাত্ৰাৰ অনুপৰ্ব, আৰু ছবিৰ মূল একক দুই মাত্ৰাৰ অনুপৰ্ব, তথাপি অসমীয়া ছন্দৰ ইতিহাসত যৌগিক ৰীতিয়ে এই দুয়োটা একককে সামৰি লৈ বিভিন্ন ছন্দসজ্জাত দেখা দিছে। যৌগিক ৰীতিৰে আমাৰ সাধাৰণ উচ্চাৰণ-পদ্ধতিৰ সংযোগ বেছি ঘনিষ্ঠ। এই ছন্দৰ গতি প্ৰবাহধৰ্মী আৰু সাৱলীল ঘন তৰংগায়িত নহয়। ইয়াৰ পৰ্বসমূহ অপেক্ষাকৃতভাৱে বহল আৰু তাত অযুগ্মধ্বনিৰ ঠাইখিনি যুগ্মধ্বনিৰে ভৰাই তুলিলেও ছন্দ পতন নহয়। গতিকেই ইয়াত অযুগ্ম ধ্বনিৰে কোমল আৰু যুগ্ম ধ্বনিৰে গম্ভীৰ কৰি তুলিব পাৰি ঃ

সিদিনাৰ হাঁহিমুখ জীৱন পুৰাব,
সিওযেন ছয়া-ময়া ছবি সপোনৰ।

আৰু,

অখণ্ড সত্যৰ মূৰ্তি অখণ্ড ভাৰত,
খণ্ডিতা মূৰ্ছিতা পুনু নহ'বা জাগ্ৰত।

ধ্বনিত মাত্ৰা প্ৰয়োগৰ ফালৰ পৰা চালে যুগ্মধ্বনিৰ স্থিতিস্থাপকতাই ইয়াৰ চাৰিত্ৰিক বৈশিষ্ট্য। অযুগ্ম ধ্বনি সকলো ৰীতিতে আৰু স্থান নিৰ্বিশেষে একমাত্ৰ মূল্যৰ; কিন্তু যুগ্ম ধ্বনিৰ বেলিকা পৰ্বৰ অন্তত আৰু পৰ্বৰ ভিতৰত থকা ছেদত (শব্দ বিলাকৰ অন্তত) থকা যুগ্ম ধ্বনি বিশিষ্ট আৰু সেই গতিকেই দুই মাত্ৰাৰ। কিন্তু শব্দৰ মাজত থকা যুগ্ম